অধ্যায় ১ ঃ জনসম্পর্কৰ ধাৰণা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ জনসম্পর্কৰ প্ৰকৃতি
১.৪ জনসম্পর্কৰ সংজ্ঞা
১.৫ জনসম্পর্কৰ উদ্দেশ্য
১.৬ জনসম্পর্কৰ পৰিসৰ
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্ৰগতিৰ খতিয়ান
১.১০ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জনসম্পর্কৰ প্ৰকৃতি বৰ্ণনা কৰিব পাৰিব
- জনসম্পর্কৰ সংজ্ঞা ব্যাখ্যা কৰিব পাৰিব
- জনসম্পর্ক উদ্যোগৰ পৰিসৰৰ সৈতে পৰিচিত হ'ব পাৰিব
- জনসম্পর্কৰ বিভিন্ন উদ্দেশ্যৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।

১.২ পৰিচয়

বৰ্তমান পৃথিৱীখনৰ চাৰিওদিশে একোটা তথ্য মুহূৰ্ততে বিয়পি পৰে আৰু পূৰ্বৰ তুলনাত মানুহে কোনবোৰ খবৰ কেনেকৈ গ্ৰহণ কৰিব লাগে সেই বিষয়ে সচেতন হৈ পৰিছে। সেয়েহে উপযুক্ত আধুনিক ব্যৱস্থাৰে সংযোগ স্থাপনকাৰীসকলে তথ্যই যাতে সত্যক প্ৰতিফলিত কৰিব পাৰে তালৈ মনোযোগ দিব লাগে। তথ্যবোৰ সহজ-সৰল, পোনপটীয়া আৰু স্বচ্ছ গুণসম্পন্ন হ'লেহে ৰাইজে তাক সন্মানৰ চকুৰে চাব আৰু বিশ্বাসযোগ্য বুলি অনুভৱ কৰিব। উত্তম জনসম্পর্ক ৰক্ষাকাৰী ব্যৱস্থাই মানুহৰ মনত এনে এক অনুভৱৰ উদ্ৰেক কৰে যে তথ্য এটা তেওঁলোকৰ বাবেই সদৰি কৰা হৈছে। ইয়াৰ দ্বাৰা জন সম্পর্কৰক্ষীয়েও বিচৰা ধৰণে 'প্ৰচাৰ' পাবলৈ সক্ষম হয়। এনেকৈয়ে জনসম্পর্কৰক্ষীসকলে ৰাইজৰ হৃদয় আৰু মন স্পৰ্শ কৰিবলৈ সক্ষম হ'ব।

জনসম্পর্ক বিষয়টো পৃথিৱীত মানৱ জাতিৰ সমানেই পুৰণি। জনসম্পর্কৰক্ষাৰ ব্যৱস্থাটো অতীতৰ পৰাই ব্যৱহাৰ কৰি অহা হৈছে আৰু যি কোনো লোকেই জনসম্পর্কৰ জৰিয়তে বিভিন্ন

তথ্য আহৰণ কৰিব পাৰে। এই ব্যৱস্থাটো বিভিন্ন উদ্যোগত ব্যৱহাৰ কৰা হয় । প্ৰাথমিক ৰণনীতি আৰু কাৰ্য-কৌশলৰ পৰীক্ষা-নিৰীক্ষা চলাবলৈ জনসম্পৰ্ক ব্যৱস্থা ব্যৱহাৰ কৰিব পাৰি। এনে পৰীক্ষা-নিৰীক্ষা সঘনে কৰাৰ প্ৰয়োজনীয়তা কোনো সংকট কালত সৃষ্টি হ'ব পাৰে। বৰ্তমান চৰকাৰ, শিক্ষা, ব্যৱসায়-বাণিজ্য আৰু চিকিৎসা সেৱা আদিৰ ক্ষেত্ৰত জন সম্পৰ্কৰ বিষয়টো অবিছিন্নভাৱে জড়িত হৈ আছে।

এই অধ্যায়টোত জনসম্পৰ্কৰ বিষয়ে প্ৰাথমিক ধাৰণাবোৰৰ বিষয়ে আলোচনা কৰা হ'ব। অধ্যায়টোত বিশেষকৈ জনসম্পৰ্কৰ সংজ্ঞা, ইয়াৰ প্ৰকৃতি, উদ্দেশ্য আৰু পৰিসৰ সম্পৰ্কে বহলাই আলোচনা কৰা হ'ব।

১.৩ জনসম্পৰ্কৰ প্ৰকৃতি

জন সম্পৰ্কনো কি? কিছুমানে সঘনে দিয়া উত্তৰটো হ'ল-তেওঁলোকৰ নাম (সংস্থা, গ্ৰাহক অথবা নিজৰ) ছপা, অনাতাঁৰ নাইবা টেলিভিছন অথবা অনলাইন মাধ্যমত প্ৰচাৰিত হোৱা। আন কিছুমানৰ মতে জন সম্পৰ্ক ব্যৱস্থাটো হৈছে এনে ধৰণৰ প্ৰচাৰ যিটোৱে ব্ৰেণ্ড পৰিচিতি নতুবা বিক্ৰী বৃদ্ধিৰ জৰিয়তে ৰাইজক আকৰ্ষিত কৰে। আনহাতে, চৰকাৰে ইয়াক কোনো বাৰ্তা প্ৰচাৰৰ এটা আহিলা হিচাপে গণ্য কৰিব পাৰে। এই পদ্ধতিত বাতৰি কাকতত প্ৰকাশিত বাৰ্তাবোৰ ইঞ্চিৰ হিচাপত আৰু অনাঁতাৰ তথা দূৰদৰ্শন বিজ্ঞাপন ৰূপে প্ৰচাৰিত বাৰ্তাবোৰ সময়ৰ হিচাপত প্ৰচাৰিত কৰি জন সম্পৰ্কৰ ফলাফল নিৰ্দ্ধাৰণ কৰা হয়। বিজ্ঞাপন অথবা তথ্যবোৰ জন সম্পৰ্কৰক্ষীৰ প্ৰতিদিনৰ কাৰ্য-কলাপ সম্পৰ্কে বিৱৰণ হ'ব পাৰে। কিন্তু এইবোৰে জন সম্পৰ্ক ৰক্ষাৰ পদ্ধতিটোৰ কোনো সংজ্ঞা নিদিয়ে আৰু "জনসম্পৰ্ক" ব্যৱস্থাটোৰ বিষয়ে কোনো ব্যাখ্যা দাঙি নধৰে।

জন সম্পৰ্ক হ'ল এনে এটা পদ্ধতি যিটোৰ সুদূৰ প্ৰসাৰী দিশ কিছুমান আছে। ইয়াৰ সৈতে গৱেষণা আৰু বিশ্লেষণ, নীতি গঠন, সংযোগ, কাৰ্যকৌশল অথবা আঁচনিৰ বিকাশৰ লগতে অসংখ্য জনতাৰ সহাঁৰি জড়িত হৈ থাকে। জন সম্পৰ্ক স্থাপনৰ মূল উদ্দেশ্যটো হ'ল এটা দ্বি মুখী সংযোগ স্থাপন কৰা। ইয়াৰে প্ৰথমটো হৈছে পৰস্পৰ বিৰোধী মতামতবোৰ সমাধান কৰিবলৈ এখন উমৈহতীয়া ক্ষেত্ৰ অথবা পাৰস্পৰিক বুজা-পৰা থকা এটা আধাৰ বিচাৰি উলিওৱা। দ্বিতীয়টো হৈছে, যথাৰ্থ জ্ঞান আৰু সম্পূৰ্ণ তথ্যৰ ভিত্তিত বুজা-পৰা স্থাপনকাৰী এটা জন সম্পৰ্ক ব্যৱস্থা উন্নত কৰিবলৈ চলোৱা কাম-কাজবোৰ । জনসম্পৰ্ক ব্যৱস্থা এটাত অংশীদাৰসকলৰ সংখ্যা আৰু তেওঁলোকৰ আচৰণ কম-বেছি অথবা বিভিন্ন পৰিমাণত সক্ৰিয় হৈ থাকিব পাৰে যদিও ইয়াৰ কাৰ্য কৌশল আৰু পদ্ধতিবোৰ সদায় একে থাকে। জনসম্পৰ্ক আৰ্ন্তজাতিক বুজা-পৰাত প্ৰভাৰ পেলাব পৰাকৈ অথবা কোনো সংস্থা আৰু ইয়াৰ অংশীদাৰসকল (গ্ৰাহক প্ৰতিনিধি আৰু কৰ্মচাৰীখিনিৰেও গঠিত হ'ব পাৰে) ৰ মাজৰ সম্পৰ্ক উন্নত কৰা ক্ষেত্ৰতো প্ৰমোজ্য হ'ব পাৰে। সেই বাবে সংযোগ বৰ্তাই ৰখাৰ ক্ষেত্ৰত জন সম্পৰ্কই কলা আৰু বিজ্ঞান উভয়ৰে সহায় লয় । সুদীৰ্ঘ কালৰ বাবে এক ইতিবাচক দিশ গঢ়ি তাক স্থায়ী কৰাত জন সম্পৰ্কই এক গুৰুত্বপূৰ্ণ

ভূমিকালয়।

জনসম্পর্কই মুখপাত্ৰ এগৰাকীয়ে প্ৰতিনিধিত্ব কৰা কোনো সংস্থা আৰু সেই সংস্থাৰ সৈতে জড়িত থকা ব্যক্তিসকলৰ মাজৰ সংযোগ মাধ্যম হিচাপে সেৱা আগবঢ়ায়। সংস্থাৰ গ্ৰাহক অথবা সংস্থাৰ পৰিচালক আৰু সকলো অংশীদাৰৰ কাৰণে বিভিন্ন মাধ্যমৰ পৰা অহা বিভিন্ন বাৰ্তাৰ উপদেষ্টা হিচাপে জন সম্পৰ্কই ক্ৰিয়া কৰি নিজ থাকে। এনে ধৰণৰ বাতৰি প্ৰচাৰ কৰি, অনুষ্ঠানটোত জড়িত থকা ৰাইজে সংস্থাটোৰ নীতিবোৰ বুজাত সহায় কৰে।

. জন সম্পৰ্কৰ কাম-কাজবোৰে কোনো অনুষ্ঠান আৰু ইয়াৰ অংশীদাৰসকলৰ মাজত শুভেচ্ছা তথা সুসম্পৰ্ক বজাই ৰখাত সহায় কৰে। বিভিন্ন উৎসৱ পৰা অহা তথ্যবোৰৰ ভিত্তিত জন সম্পৰ্কই কাম কৰি যায়। তদুপৰি অংশীদাৰৰ পৰা গ্ৰাহকলৈ জন সম্পৰ্কই বাৰ্তা বহন কৰে। যি কোনো ধৰণৰ জনসম্পৰ্কৰক্ষী কৰ্মই অংশীদাৰসকলক জন সম্পৰ্ক বাৰ্তাবোৰ প্ৰচাৰ কৰিবলৈ উৎসাহ দি থাকে। এই ক্ষেত্ৰত এটা দ্বি মুখী সংযোগৰ প্ৰয়োজন হয় । ৰাইজৰ মতামতবোৰৰ সৈতে বুজা-পৰা কৰা ক্ষেত্ৰত এই ব্যৱস্থা প্ৰযোজ্য ।

১.৩.১ জন সম্পৰ্ক-এক প্ৰক্ৰিয়া

জন সম্পৰ্কৰ প্ৰকৃতি বুজি পোৱাৰ আগতে আমি বুজিব লাগিব যে জনসম্পৰ্ক বিষয়টো হৈছে এটা প্ৰক্ৰিয়া বিচৰামতে ফল পাবলৈ এই প্ৰক্ৰিয়াটোত এলানি পৰিকল্পিত কাৰ্য-কলাপ, সক্ৰিয়তা আৰু সাল-সলনিমূলক ব্যৱস্থা জড়িত হৈ থাকে। জন মাৰ্ষ্টনে ৰচনা কৰা "দ্য নেচাৰ অৱ পাব্লিক ৰিলেশ্যন" নামৰ গ্ৰন্থখনত তেওঁ লিখিছে যে জনসম্পৰ্ক হৈছে এক 'সুসংগঠিত দৌৰ'। 'সুসংগঠিত' শব্দটোৱে যে যি কোনো ধৰণৰ জন সম্পৰ্কৰক্ষাকাৰী কাম-কাজত চাৰিটা মূল উপাদান জড়িত হৈ থকাৰ কথা বুজাইছে।

- **গৱেষণা** ঃ সমস্যাটো কি আৰু বৰ্তমান কোনবোৰ পৰিৱেশত মনোযোগ দিয়া উচিত।
- **কাৰ্য** ঃ বৰ্তমানৰ সমস্যাটোৰ ক্ষেত্ৰত কি কৰিব পৰা যায়? লক্ষ্য ৰাইজক শুদ্ধ বাৰ্তা দিবৰ বাবে আঁচনি, পৰিকল্পনা কৰিব লাগিব।
- **সংযোগ** ঃ ৰাইজক কেনেকৈ বাৰ্তাটো জনোৱা হ'ব? এই পৰ্যায়ত পৰিকল্পিত আঁচনিবোৰক কাৰ্যৰূপায়িত কৰা হয়।
- **মূল্যায়ন** ঃ বাৰ্তাটো ৰাইজে পালেনে? বাৰ্তাটোৱে ৰাইজৰ মাজত কেনে ধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ?

এই পদ্ধতিটোৱে জনসম্পৰ্কৰ ক্ষীসকলক গ্ৰাহক অথবা অনুষ্ঠান অথবা সংস্থাটোৰ কাৰণে বিভিন্ন উৎসৱ পৰা সৃষ্টি হোৱা সমস্যাবোৰ কেনেকৈ বুজাৰ চেষ্টা কৰিব আৰু একোটা সমস্যাৰ ভিতৰলৈ সোমাব তাৰ পথ প্ৰদৰ্শন কৰে। ইয়াৰ ফলত সমস্যাএটাৰ চৰিত্ৰ বুজি পাব পাৰি। জনসম্পৰ্কৰক্ষী সকলৰ এনে অধ্যয়নে পৰিচালনা মণ্ডলী অথবা গ্ৰাহকসকলৰ কাৰণে কিছুমান লক্ষ্য আৰু প্ৰশংসাসূচক বাৰ্তা নিৰ্দ্ধৰণ কৰিব পাৰে। তাৰ

ফলত একোটা অনুষ্ঠানৰ পৰিচালক মণ্ডলী নতুবা গ্ৰাহকসকলে প্ৰয়োজন নীতিৰ বিকাশ সাধন, কাৰ্য-কলাপ আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। জনসম্পৰ্ক ৰক্ষাৰ কাম-কাজ কৰা লোকসকলে এখন কৰ্মতালিকা কাৰ্যৰূপায়িত কৰি তাৰ ফলাফলবোৰৰ বিশ্লেষণ আগবঢ়াব পাৰে।

জন সম্পৰ্কৰ বিষয়ে বুজিবলৈ আৰু ই যে এক দীৰ্ঘম্যাদী পদ্ধতি তাৰ উদাহৰণ দিবলৈ এটা সৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন আগবঢ়োৱা হ'ল। ভাৰতীয় ধঁপাত কোম্পানীত (Indian Tobacco Company) এটা কৃষি ব্যৱসায় শাখা আছে। কোম্পানীটোৰ ৰাজহুৱা দায়িত্ব পালন কৰিবলৈ এটা জনসম্পৰ্কৰক্ষী বিভাগো আছে। ২০০০ চনত আই টি চি (ITC) এ কৃষি আৰু জলজ উৎপাদন দ্ৰব্যবোৰক ক্ৰয় কৰাৰ উদ্দেশ্যে ইণ্টাৰনেট যোগে কৃষকসকলৰ সৈতে পোন পটীয়া সংযোগ স্থাপন কৰাৰ উদ্দেশ্যেৰে e-choupal নামৰ এক আঁচনি আৰম্ভ কৰে। ক্ষুদ্ৰ ক্ষুদ্ৰ খণ্ডৰ কৃষি পামবোৰ দুৰ্বল আন্তঃগাঁথ নি পূৰ্ণ আৰু মধ্যভোগী দালালেৰে গঠিত। ভাৰতীয় কৃষিবিভাগৰ কাৰণে e-choupal পৰিচালনা এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিল। এই আচঁনিখনৰ মতে ভাৰতবৰ্ষৰ গাওঁ অঞ্চলত ইণ্টাৰনেট সেৱা আগবঢ়াব পৰা কম্পিউটাৰ স্থাপন কৰা হ'ল যাতে ব্যৱসায়িক আৰু কৃষিভিত্তিক বাতৰিবোৰ কৃষকসকলে তাৎক্ষণিকভাৱে পাব পাৰে। দেশখনৰ বিভিন্ন কৃষিভিত্তিক অঞ্চলত আই টি চি (ITC) কোম্পানীয়ে ইণ্টাৰনেট সেৱাযুক্ত কম্পিউটাৰ যোগান ধৰাৰ ফলত খেতিয়কসকলে তেওঁলোকৰ দ্বাৰা উৎপাদিত দ্ৰব্যবোৰৰ বিক্ৰীৰ ক্ষেত্ৰত আই টি চি (ITC) কোম্পানীৰ সৈতে পোন পটীয়াকৈ যোগাযোগ কৰিব পৰা হ'ল। অনলাইন সেৱাৰ সৈতে জড়িত হোৱাৰ ফলত কৃষকসকলে বজাৰ মূল্যৰ বাতৰিবোৰ পাবলৈ সক্ষম হৈ পৰিল আৰু কৃষি সম্পৰ্কীয় দ্ৰব্য, যেনে-বীজ আৰু সাৰৰ অৰ্ডাৰ দি আগতকৈ অধিক উত্তম ভাবে কৃষি কাৰ্য চলাই নিব পৰা হ'ল। উক্ত আচঁনিখন উৎপাদিত দ্ৰব্যৰ গুণাগুণ উন্নত কৰা আৰু পূৰ্বৰ তুলনাত অধিক মূল্য লাভ কৰাৰ কাৰণে খেতিয়কসকলৰ বাবে সহায়ক হৈ পৰিল। আই টি চি (ITC) কোম্পানীৰ ধঁপাত বেচা দোকানবোৰত থকা ইণ্টাৰনেট সেৱা পৰিচালনা কৰিবলৈ এজন সঞ্চালক থাকে। এই সঞ্চালকজন হ'ল এজন প্ৰশিক্ষণ প্ৰাপ্ত কৃষক। কম্পিউটাৰটো সঞ্চালকজনৰ গৃহত ৰখা হয় আৰু তাত উপলব্ধ ইণ্টাৰনেট সংযোগক ফোন লাইন নতুবা VSAT সংযোগৰ সৈতে যুক্ত কৰি ৰখা হয়। e-choupal ৰ জৰিয়তে লাভ কৰা বা-বাতৰি আৰু জ্ঞানৰ বাবে কৃষকসকলে ধন পৰিশোধ কৰিব নালাগে। কাৰণ এই আচঁনিৰ মূল নীতি হৈছে বাৰ্তা সৰবৰাহ কৰা আৰু কৃষকসকলক শক্তিশালী কৰাৰ লগতে প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নিজৰ ভাষাৰে জন সম্পর্কৰ প্রকৃতি ব্যাখ্যা কৰক।

.....

.....

.....

প্রশ্ন নং ২ ঃ জন সম্পর্ক এটা প্রক্রিয়া নেকি? চমুকৈ বর্ণনা কৰক।

.....

.....

.....

১.৪ জনসম্পর্কৰ সংজ্ঞা

জনসম্পর্কৰ প্রকৃত অর্থ আৰু ই প্রকৃততে কি সূচায় এই বিষয়ে দশকৰ পাছত দশক জুৰি অসংখ্য সংজ্ঞা দিয়া হৈছে। বর্তমান সকলো ব্যক্তিয়ে বুজি পায় যে আটাইতকৈ উত্তম বুলি গণ্য কৰা জনসম্পর্কই যি কোনো সমস্যাৰ সৈতে স্বচ্ছভাৱে মুখামুখি, ঘটনাবোৰক তথ্য সহকাৰে, নিখুতঁভাৱে আৰু সততাৰে প্রত্যাহ্বান জনায় আৰু তাৰ পাছত সেই সমস্যা সমাধান কৰিবলৈ প্রয়োজনীয় কার্যপন্থা গ্রহণ কৰে। গতিকে সর্বোত্তম জনসম্পর্ক হৈছে সামাজিক সচেতনতাৰ এক নির্দিষ্ট প্রমাণ।

জনসম্পর্কৰ ভূমিকা হৈছে পৰিচালনা কার্যকলাপ আগবঢ়াই নিয়া সংযোগ কার্যৰ সৈতে জনসম্পর্ক জড়িত হৈ থাকে আৰু ইয়াৰ সৈতে পৰিচালক মণ্ডলীৰ সুনাম আৰু সু-সম্পর্ক জড়িত হৈ থাকে। বর্তমান আমি জনসম্পর্কৰ কিছুমান সর্বজন স্বীকৃত আৰু গ্রহণযোগ্য সংজ্ঞাৰ বিষয়ে আলোচনা কৰিম। P R News (পি আৰ নিউজ) ৰ সংবাদ পত্রত জন সম্পর্কৰ সংজ্ঞা এনেকৈ দিয়া হৈছে, "জন সম্পর্ক হৈছে পৰিচালনা মণ্ডলীৰ কাম ; ই ৰাইজৰ মনোভাৱ বিশ্লেষণ কৰে, কার্য নীতিবোৰ চিনাক্ত কৰে আৰু ৰাইজৰ সহাঁৰি আৰু বুজা-পৰা লাভ কৰাৰ উদ্দেশ্যেৰে কার্য আঁচনিবোৰ ৰূপায়ণ কৰে"।

স্কট কাট্লিপ আৰু এলেন চেণ্টাৰৰ দ্বাৰা ৰচিত গ্রন্থ 'Effective Public Relations ত কোৱা হৈছে- "জন সম্পর্ক হৈছে পৰিচালক মণ্ডলীৰ কার্যকলাপ; ইয়াৰ সহায়ত সংস্থা আৰু বিভিন্ন ধৰণৰ ৰাইজৰ মাজত পাৰস্পৰিক ভাৱে উপকৃত হ'ব পৰা সম্পর্কবোৰ স্থাপন কৰা হয়। ইয়াৰ ওপৰতে জনসম্পর্ক ৰক্ষাকাৰী পৰিকল্পনাবোৰৰ সফলতা অথৱা বিফলতা নির্ভৰ কৰে। " জেমচ্ ই গ্রানিগ আৰু ট'ড হাণ্টৰ মতে, "জনসম্পর্ক হৈছে এটা সংযোগ ব্যৱস্থাপনা আৰু সংস্থা তথা ৰাইজৰ মাজত এই সংযোগ বর্তি থাকে।"

"ব্যৱসায়ৰ ধাৰা বিশ্লেষণ , তাৰ ফলাফল সম্পৰ্কীয় ভবিষ্যৎবাণী, সংস্থাৰ নেতৃস্থানীয় লোকৰ সৈতে আলোচনা আৰু কাম-কাজ সম্পৰ্কীয় আচঁনি প্ৰয়োগ কৰাৰ ক্ষেত্ৰত জন সম্পৰ্ক বিষয়টো হৈছে এক কলা আৰু বিজ্ঞানৰ সমন্বিত ৰূপ। জনসম্পৰ্কই সংস্থা আৰু ৰাইজ উভয়ৰে স্বাৰ্থৰ হকে কাম কৰে।" ১৯৭৮ চনত মেক্সিকো মহানগৰীত অনুষ্ঠিত হোৱা বিভিন্ন দেশৰ ৩৪ টা জনসম্পৰ্ক সংস্থাৰ সম্মিলনত উক্ত সংজ্ঞাটো ঘোষণা কৰা হৈছিল।

২০১২ চনত আমেৰিকাৰ Public Relations Society এ আগবঢ়োৱা সংজ্ঞা অনুসৰি "জন সম্পৰ্ক হৈছে এক কৌশলী সংযোগ পদ্ধতি যিটোৱে এটা অনুষ্ঠান আৰু তাৰ সদস্যসকলৰ পাৰস্পৰিক হিত সাধন হোৱা সম্পৰ্ক এটা গঢ় দিয়ে।

"বৃটিছ ইনষ্টিটিউট অৱ পাব্লিক অপিনিয়ন" এ আগবঢ়োৱা জনসম্পৰ্কৰ সংজ্ঞাটো বহুলভাৱে প্ৰচাৰিত হৈছে। সংজ্ঞাটো হ'ল ঃ জন সম্পৰ্ক হৈছে সুস্থিৰ চিন্তা, পৰিকল্পিত আৰু দীৰ্ঘম্যাদী প্ৰচেষ্টা। ইয়াৰ সহায়ত এটা অনুষ্ঠান আৰু ৰাইজৰ মাজত এক পাৰস্পৰিক বুজা-পৰা স্থাপন হয়।

ওপৰোক্ত সকলো ধৰণৰ সংজ্ঞাই বুজাইছে যে জনসম্পৰ্ক হৈছে এটা দ্বিমুখী সংযোগ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত অভিপ্ৰায়মূলক, উদগনিমূলক আৰু সুসংগঠিত আচঁনি থাকে। ই এটা অনুষ্ঠান আৰু ইয়াৰ সদস্যসকলৰ মাজত বুজা-পৰা বৰ্তাই ৰখাৰ এক প্ৰচেষ্টা।

১.৪.১ এটা ব্যৱস্থাপনা কাৰ্য হিচাপে জনসম্পৰ্ক

এই সংজ্ঞাবোৰে জনসম্পৰ্কক এক ব্যৱস্থাপনা কাৰ্য বুলিও বুজায়। এক বৃত্তিজীৱী জনসম্পৰ্ক এটাব্যৱস্থা অনুষ্ঠান আৰু তাৰ অংশীদাৰসকলৰ স্বাৰ্থৰ হকে কাম কৰে। অংশীদাৰসকল হৈছে বিভিন্ন ধৰণৰ জনতা। The International Association of Business Communicator এ ১৯৮৭ চনত জনসম্পৰ্ক আৰু সংযোগ পৰিচালনা বিষয়ক এটা অধ্যয়ন চলাই গম পাইছিল যে যি কোনো সংস্থা অথবা অনুষ্ঠানৰ ফলপ্ৰসূ জনসম্পৰ্কবোৰৰ সৈতে অনুষ্ঠানটোৰ এক সক্ৰিয় সম্বন্ধ আছে। অনুষ্ঠানটোৰ পৰামৰ্শদাতা হ'বলৈ সক্ষম হোৱ একাংশ ব্যক্তিৰ কথাকে ইয়াত বুজোৱা হৈছে। পৰিচালক মণ্ডলীৰ জ্যেষ্ঠ সকলৰ সৈতে জনসম্পৰ্কৰক্ষী দলটোৰ পোনপটীয়া সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হয়। জন সম্পৰ্কইহে পৰিচালনা মণ্ডলীত মানৱীয় তথ্যবোৰৰ যোগান ধৰে। যেতিয়ালৈকেশীৰ্ষ পদবীধাৰী পৰিচালক মণ্ডলীয়ে জনসম্পৰ্ক বিভাগটোক অনুষ্ঠানটোৰ এটা অতি প্ৰয়োজনীয় অংশ বুলি গণ্য নকৰে তেতিয়ালৈকে জন সম্পৰ্কৰ লক্ষ্যবোৰ পূৰণ নহ'ব।

জনসম্পৰ্কৰ পিতৃ স্বৰূপ বুলি গণ্য কৰা এডৱাৰ্ড বাৰ্নেইজে কৈছিল যে " জনসম্পৰ্ক বিষয়টো পৰিচালক মণ্ডলীৰ কাম-কাজৰ ভিতৰত পৰে। জন সম্পৰ্কই ৰাইজৰ মনোভাৱ নিৰীক্ষণ কৰাৰ লগতে অনুষ্ঠান এটাৰ নীতি-নিয়ম ; কৰ্ম-পদ্ধতি আৰু স্বাৰ্থ বজাই ৰখা কাৰ্যবোৰ নিৰূপণ কৰে। তাৰ পাছতহে ই ৰাইজৰ বুজা-পৰা আৰু গ্ৰহণযোগ্যতা অৰ্জন

কৰাৰ বাবে আচঁনি একোখন কার্যকৰী কৰি তোলে।

১.৪.২ জন সম্পর্কৰ সৈতে জড়িত জনতা

জনসম্পর্কৰ জনতা হৈছে কোনো এক বিশেষ পৰিৱেশৰ মাজত একে ধৰণে চিন্তা-চর্চা কৰা এটা মানৱ দল। অংশীদাৱসকল হৈছে একোটা অনুষ্ঠানৰ অংশৰ দৰে অথবা অনুষ্ঠানটোক জড়িত কৰিব পৰা একোটা সম্ভাব্য সমস্যাৰ দৰে অর্থাৎ, সকলো অংশীদাৰেই হ'ল ৰাইজ। কিন্তু সকলো ৰাইজ অংশীদাৰ নহয়। এই শ্রেণীভুক্ত ৰাইজে পৰিচালনা মণ্ডলীক উৎসবোৰ উত্তমভাৱে ব্যৱহাৰ কৰাত সহায় কৰে। জন সম্পর্ক বিভাগটোৱে জনতাক দুই ধৰণে বিভাজিত কৰে: আন্তঃবিভাগ আৰু বর্হি বিভাগ। আন্তঃ বিভাগত থকা জনতা পোনপটীয়াকৈ অনুষ্ঠানটোৰ সৈতে সংযুক্ত হৈ থাকে। এনে জনতাৰ উদাহৱণ হ'ল- কর্মচাৰী, ইউনিয়ন, বোর্ডৰ সভ্যসকল, পৰিচালকসকল, অংশীদাৱসকল ইত্যাদি। বর্হিবিভাগৰ জনতা হৈছে চৰকাৰ, সমাজ, সংবাদ মাধ্যম আৰু অন্যান্য এজেন্সিবোৰ। প্রকৃত গৱেষণাৰ দ্বাৰা অধিক গুৰুত্ব লাভ কৰিবলগীয়া ৰাইজক চেষ্টা কৰা হয়। সাধাৰণ আনুমানিক গৱেষণাৰ জাৰ দ্বাৰা সম্ভাব্য জনতা স্থিৰ কৰি ল'লে অনুষ্ঠানৰ সুনামত বৃহৎ ক্ষতিসাধন কৰিব। জনসম্পর্কৰক্ষীসকলে প্রতি গৰাকী ৰাইজৰ বাবে সংবেদনশীল মনোভাৱ গঢ়ি তোলাৰ এক গুৰুত্বপূর্ণ দায়িত্ব পালন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ জনসম্পর্কৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

.....

প্রশ্ন নং ৪ ঃ জনসম্পর্কৰ এক "ব্যৱস্থাপনা কার্য" নেকি? ব্যাখ্যা কৰক-

.....

.....

.....

১.৫ জনসম্পর্কৰ উদ্দেশ্য

যি কোনো অনুষ্ঠানতে থকা জনসম্পর্ক বিভাগটোৰ মূল উদ্দেশ্য হৈছে আন্তঃ বিভাগ আৰু বহিঃ বিভাগত থকা মুখ্য জনসমষ্টিবোৰ চিনাক্ত কৰা। এই জনসমষ্টিবোৰৰ সৈতে অনুষ্ঠানটোৱে ফলপ্রসূভাৱে কাম-কাজ চলায় আৰু এওঁলোকৰ সহযোগিতাত অনুষ্ঠানটোৰ বিকাশ সাধন কৰে।

অনুষ্ঠানটো আৰু এনেদৰে চিনাক্ত কৰা লোকসকলৰ উপকাৰত অহা সম্পৰ্ক এটা স্থাপন কৰাত জনসম্পৰ্ক বিভাগে আগভাগ লয়। জনসম্পৰ্ক বিভাগৰ বিছুমান নিদিষ্ট উদ্দেশ্য তলত দিয়া হ'ল ঃ

দীৰ্ঘম্যাদী সম্পৰ্ক স্থাপন কৰা আৰু সুনাম গঢ়া ঃ

জনসম্পৰ্ক বিভাগটোৱে পৰিচালক মণ্ডলীৰ হৈ সংযোগ স্থাপনৰ কাৰ্য-কলাপবোৰ চলাই থাকে আৰু অনুষ্ঠানটোৰ সুনাম উন্নত কৰাৰ লগতে অনুষ্ঠানটোৰ সৈতে ৰাইজৰ সুসম্পৰ্ক বৰ্তাই ৰখাৰ বাবে যত্নবান হয়।

- **অন্ত বিভাগ আৰু বহিৰ্বিভাগৰ ব্যক্তিসকলৰ সমৰ্থন সংগঠিত কৰে ঃ** জনসম্পৰ্কই লক্ষ্য জনসমষ্টিবোৰক অনুষ্ঠান এটা লক্ষ্য পূৰণৰ দিশে আগবঢ়াত সহায় কৰে। তদুপৰি জন সম্পৰ্কই অনুষ্ঠান নাইবা সংস্থাৰ মাজৰ সংযোগ গঢ়ে অনুষ্ঠানটোৰ বিভিন্ন তথ্যৰ প্ৰতি সচেতন জনসমষ্টি কিছুমান সৃষ্টি কৰে। এনে জনসমষ্টিয়ে অনুষ্ঠানটোৰ প্ৰতি সমৰ্থন, সহাঁৰি জনায় আৰু অনুষ্ঠানটো সুচাৰুৰূপে চলি যোৱাত সহায় আগবঢ়ায়। জনসম্পৰ্কই অনুষ্ঠানটোত উৎপাদিত দ্ৰব্যবোৰৰ ব্যৱহাৰ আৰু সেই দ্ৰব্যবোৰৰ উৎকৃষ্ট সেৱাৰ বিষয়ে লক্ষ্য জনসমষ্টিবোৰক জনাই থাকে।
- **ৰাইজৰ মনোভাৱ বিশ্লেষণঃ** এটা অনুষ্ঠান আৰু জনতাৰ মাজত সুসম্পৰ্ক স্থাপন কৰিবলৈ হ'লে জনসম্পৰ্কৰক্ষীসকলে ৰাইজৰ দৃষ্টিভংগী আৰু মনোভাৱ বুজি পোৱাটো বৰ গুৰুত্বপূৰ্ণ বিষয়। একোটা সমস্যা নাইবা সংকটপূৰ্ণ অৱস্থাৰ সমাধান কৰা, ইতিবাচক ভাৱমূৰ্তি গঢ়ি তোলা অথবা ইতিবাচক দৃষ্টিভংগী সবল কৰি তুলিবলৈ বৃত্তিজীৱী জন সম্পৰ্কৰক্ষীসকলে পৰিস্থিতিৰ এক বিশদ বিশ্লেষণ কৰাটো বৰ প্ৰয়োজনীয় কথা। তাৰ পাছতহে কোনো সমস্যা সমাধান কৰিবলৈ এখন আঁচনি প্ৰস্তুত কৰা নাইবা কোনো প্ৰতিৰোধী ব্যৱস্থা প্ৰয়োগ কৰিবলৈ আগবঢ়া উচিত।
- **শুদ্ধ তথ্য প্ৰচাৰঃ** ৰাইজৰ মাজত অনুষ্ঠানটোৰ প্ৰতি সমৰ্থন আৰু সুন্দৰ ভাৱমূৰ্তি গঢ়ি তোলাৰ লক্ষ্যেৰে জনসম্পৰ্কৰক্ষীসকলে অনুষ্ঠানটোৰ বিষয়ে মুল্যবান তথ্য প্ৰচাৰ কৰাটো এক প্ৰয়োজনীয় কাৰ্য। তাৰ ফলত জনতাই অনুষ্ঠানটোৰ কাম-কাজ, ইয়াৰ লক্ষ্য আৰু কাৰ্য সাধন পদ্ধতি আদিৰ বিষয়ে জানিব পাৰে। নতুন সভ্য, দৰ্শনাৰ্থী, আগ্ৰহী গ্ৰাহক আৰু সংবাদ-মাধ্যমবোৰৰ বাবে জনসম্পৰ্ক বিভাগটো সকলো ধৰণৰ তথ্যৰ উৎস হোৱা উচিত। এনেকৈয়ে জন সম্পৰ্ক বিভাগটোৱে অনুষ্ঠান এটাৰ সক্ৰিয়তা আৰু কাৰ্য-কলাপবোৰৰ বিষয়ে এখন ইতিবাচক ছবি ৰাইজৰ মাজত প্ৰচাৰ কৰিব পাৰে ।
- **অন্তৰ্বিভাগ সংযোগ সুচল কৰি তোলেঃ** যি কোনো অনুষ্ঠানে সুস্থিৰভাবে কাম-কাজ চলাবৰ বাবে অন্তৰ্বিভাগৰ সৈতে সংযোগ ৰখা আৱশ্যক। জন সম্পৰ্কৰক্ষীসকলে অনুষ্ঠানটোৱে তৈয়াৰ কৰা জনসম্পৰ্ক ৰক্ষাৰ আঁচনি বোৰতপ্ৰয়োজনীয় সহায়-সহযোগিতা আৰু পৰামৰ্শ আগবঢ়োৱাৰ লগতে অন্তবিভাগৰ সৈতে সংযোগস্থাপনৰ আচৰণ বিধি পৰিচালনা কৰা উচিত। পৰিচালক মণ্ডলীৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হোৱা, নিয়োগকৰ্তা আৰু কৰ্মচাৰীৰ মাজত সংযোগ ৰক্ষা কৰা, সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰা আদি কাৰ্যবোৰ হ'ল জনসম্পৰ্ক বিভাগটোৱে অনুষ্ঠানটোৰ ভিতৰত সম্পাদন কৰিব পৰা কাৰ্য।
- **জনসম্পৰ্কৰ আহিলাৰ বিকাশঃ** ভিন ভিন তথ্য বিভিন্ন ধৰণৰ ৰাইজৰ মাজত প্ৰচাৰ কৰিবলৈ

জনসম্পর্ক বিভাগে ভিন ভিন প্রকাৰৰ আহিলা ব্যৱহাৰ কৰে। জন সম্পর্কৰক্ষীসকলৰ প্রধান উদ্দেশ্য হৈছে তেওঁলোকে লক্ষ্য হিচাপে নির্ধাৰণ কৰা জনতাই তথ্যটো জনাৰ উপযুক্ত আহিলা বিধ বাছি লৈ তাৰ বিকাশ সাধন কৰিব লাগিব। বর্হি বিভাগৰ জনসমষ্টি যেনে— সংবাদ মাধ্যমবোৰৰ কাৰণে জনসম্পর্কৰক্ষী সকলে সংবাদ মেলৰ আয়োজন কৰিব লাগে অথবা সংবাদ ছপা কৰিব লাগো। তথ্য সম্বলিত পুস্তিকাৰ বিকাশ, সংবাদ পত্রিকা, নিউজ লেটাৰ আৰু ঘৰুৱা পত্রিকাৰ সহায় ল'ব পাৰে। এনে ধৰণৰ আহিলাই নতুন সভ্যসকলক অনুষ্ঠানটোৰ প্রাথমিক তথ্যৰিবোৰ জনাত সহায় কৰে।

- **<u>সংহতিৰ পোষকতাঃ</u>** জনসম্পর্ক বিভাগটো যদিও এটা পৃথক বিভাগ, তথাপিও ই কিছুমান ক্ষেত্রত, যেনে- বিজ্ঞাপন আৰু বজাৰখনৰ লগত সমন্বয় বর্তাই ৰাখিব লাগে আৰু প্রয়োজনত পৰস্পৰৰ সহায়ক্ষ ভূমিকা পালন কৰিব লাগে । এনে ধৰণৰ বুজা-পৰাই এখন সম্মিলিত বজাৰৰ সৃষ্টি কৰে। জনসম্পর্ক বিভাগটোৱে যদি ৰাইজৰ বিশ্বাসভাজন হোৱাটো প্রয়োজনীয় বুলি ভাৱে, তেন্তে তেওঁলোকে আনবোৰ ক্ষেত্রত কৰাৰ দৰে এই ক্ষেত্রতো একে ধৰণে কামবোৰ চলাই নিব লাগে। সমন্বয় সাধন কৰাৰ ফলত তথ্যবোৰৰ মাজত মিল থাকে, তথ্যবোৰ শক্তিশালী হয়। ভাল সংযোগ ব্যৱস্থা এটাই ভিন ভিন তথ্যৰ ঠাইতকেৱল এটা তথ্যহে প্রচাৰ কৰে। উপযুক্ত শুদ্ধ মাধ্যমৰ মাজেৰে শুদ্ধ তথ্য প্রচাৰ কৰিলে তাৰ ফলাফল আশাপ্রদ হয়।

১.৬ জনসম্পর্কৰ পৰিসৰ

বর্তমান কোনো অনুষ্ঠানৰ যিকোনো ক্ষেত্রতে ভাল ভাবমূর্তি আৰু সুনাম গঢ়ি তোলাৰ ক্ষেত্রত জনসম্পর্কই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তদুপৰি জনসম্পর্ক বিষয়টো কেৱল অনুষ্ঠানটোৰ মাজতে সীমিত হৈ নাথাকে। ই এজন অথবা বহুজনৰ ব্যক্তিগত ক্ষেত্রবোৰলৈকো বৰঙণি আগবঢ়ায়। চৰকাৰ নাইবা ৰাজহুৱা বিভাগতো জনসম্পর্ক বর্তাই ৰখা হয়। এইবোৰ কথাই প্রমাণ কৰে যে জনসম্পর্কৰ সুযোগ- সুবিধা ক্ষেত্রখন বহল আৰু প্রত্যাহ্বানমূলক।

জনসম্পর্কই বিভিন্ন উদ্যোগত কিছুমান বিশেষ ধৰণৰ কাম-কাজৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে, সংঘৱদ্ধ কোম্পানীবোৰ (Corporation) ত তেওঁলোকৰ নিজা জনসম্পর্কৰক্ষী বিভাগ থাকে। এই বিভাগটোত নানা ধৰণৰ পদৱীৰ সৃষ্টি হয়। যেনে-আন্তঃসংযোগকাৰী বিষয়া, জন সম্পর্কৰক্ষী বিষয়া, হিচাপ পৰিচালক,সংযোগ পৰিচালক, বহিঃসংযোগ ব্যৱস্থা পৰিচালক,মাধ্যম সম্পর্কৰক্ষী বিষয়া, প্রচাৰ আৰু তথ্য বিষয়া, সমাজিক সম্পর্কৰক্ষী বিষয়া, পৰিচালক মণ্ডলীৰ উপদেষ্টা ইত্যাদি। এইবোৰে সূচায় যে জনসম্পর্ক বিষয়টোৰ পৰিসৰ ব্যাপক। অৱশ্যে জনসম্পর্কৰ কাম-কাজবোৰ এক বিশেষ সীমাৰ ভিতৰতে আৱদ্ধ হৈ থাকে। এনে কিছুমান অনুষ্ঠানো আছে যিবোৰে জনসম্পর্ক ৰক্ষাকাৰী কাম-কাজৰ দায়িত্ববোৰ নিজেই চম্ভালে ।

জন সম্পর্কৰক্ষীসকলে তেওঁলোকৰ বৃত্তিটোত নিজকে কিমান প্রকাৰে নিয়োগ কৰিব পাৰিব তাৰ এখন তালিকা PRSA ফাউণ্ডেচনে প্রস্তুত কৰিছে। এই তালিকাত অন্তর্ভুক্ত হোৱা বিভাগবোৰে

জনসম্পর্কৰক্ষাৰ ক্ষেত্রখনত কাম কৰিবলৈ অহা প্রার্থী অথবা ন-শিকাৰুসকলক নিজে কোনটো কামৰ কাৰণে যোগ্য হ'ব সেই বিষয়ে জনাত সহায় কৰিব। অৱশ্যে তলত উল্লেখ কৰা অনুষ্ঠানবোৰ নিজৰ চহৰখনত আছে নে নাই সেই কথা প্রার্থীসকলে জানি ল'ব লাগিব।

বিভাগবোৰৰ তালিকাঃ

- পৰামর্শদান বিভাগ
- গৱেষণা
- প্রচাৰ মাধ্যম সম্পর্কৰক্ষী আৰু প্রচাৰ বিভাগ
- আন্তঃ সম্পর্ক (কর্মচাৰী আৰু সদস্যসকলৰ মাজৰ)
- সামূহিক সম্পর্ক
- বহিঃসংযোগ
- চৰকাৰী বিষয় আৰু ৰাজহুৱা বিষয়
- উমৈহতীয়া উদ্দেশ্য সাধনত প্রভাৱ পেলোৱা বিশেষ গোষ্ঠী(Lobbying) সমস্যা ব্যৱস্থাপনা
- অর্থনৈতিক আৰু ঔদ্যোগিক সম্পর্ক
- বিপণন সংযোগ আৰু সংঘৱদ্ধকোম্পানী (Corporate) ৰ সংযোগ
- পৃষ্ঠপোষকতা আৰু উন্নয়ন

বিভিন্ন উদ্যোগ, অনুষ্ঠান, উদ্যোগ অথবা ব্যক্তিগত ভাৱে জনসম্পর্কৰক্ষী বিভাগ থকিলেও এনে কিছুমান বিশ্বজনীন জনসম্পর্ক অনুষ্ঠান আছে যিবোৰে আন অনুষ্ঠান নাইবা ব্যক্তিগত জন সম্পর্ক বিভাগবোৰক তদাৰক কৰে। পৃথিৱী বিখ্যাত জন সম্পর্কৰক্ষী অনুষ্ঠানবোৰৰ নাম হৈছে- এডেলমেন (Edelman), এম এছ এল গ্রুপ (MSL Group), বার্ছন ক'ন এণ্ড উলফ্ (Burson Cohn & Wolfe), ডি ডি বি ৱর্ল্ডৱাইড (DDB Worldwide), পাব্লিছিচ গ্রুপচ্ (Publicis Groups) আৰু অগিল্ভি পি আৰ (Ogilvy PR), কে'টচুন (Ketchun) আদি ।

২০১৮ চনত Public Relations Consulants Association of India নামৰ সংস্থাটোৱে দিয়া এক বিশদ বিবৃতিত লিখিছে যে জনসম্পর্ক উদ্যোগৰ মূল্য ২০২০ চনত 2100 কোটি টকা হ'বগৈ। অর্থাৎ, বর্তমানৰ বর্জাৰ খনৰ তুলনাত ই দুগুণ হ'বগৈ। জনসম্পর্কৰ প্রচাৰ আৰু কার্যকলাপবোৰ ভৱিষ্যতে বাঢ়ি যাব আৰু বিভিন্ন মাধ্যমৰ সমধর্মিতাৰ ফলত প্রায় ২৫ শতাংশ অধিক ৰাজহ অর্জন কৰিব পৰা যাব। বিবৃতিটোত এইটোও কোৱা হৈছে যে তথ্য আৰু সংযোগ প্রযুক্তি খণ্ডই জন সম্পর্ক উদ্যোগটোলৈ সামগ্রিকভাবে অর্জন কৰ ৰাজহৰ ২০ শতাংশ বৰঙণি আগবঢ়াব। আর্থিক সেৱাই ১২ শতাংশ আৰু দ্রুত গতিৰে বাঢ়ি অহা উপভোক্তা দ্রব্য খণ্ডই জনসম্পর্ক বিভাগলৈ ৯ শতাংশ বৰঙণি আগবঢ়াব। ভাৰতবর্ষৰ এডফেক্টৰছ (Adfactors), পার্ফেক্ট ৰিলেচনছ (Perfect Relation), প্রেক্টিছ (Practice) ,ৱেগেনাৰ এডষ্টর্ম (Waggener Edstorm), কেটচুন ছমর্পক (Ketchun Sampark), গলিন অপিনিয়ন (Golin Opinion) আদি হৈছে কেইটামান প্রভাৱশালী জনসম্পর্কৰক্ষী অনুষ্ঠান।



১.১ চিন্তা -চর্চা কৰক

কেইটামান জনসম্পর্ক ৰক্ষী (PR)অনুষ্ঠান বিচাৰি লওক আৰু তেওঁলোক কি কামত নিযুক্ত হৈ আছে লিখক। ভাৰতবর্ষৰ PR অনুষ্ঠানৰ সৈতে সংযুক্ত হৈ পৰা অথবা ভাৰতবর্ষত শাখা থকা আন্তর্জাতিক জনসম্পর্কৰক্ষী অনুষ্ঠানবোৰ বিচাৰি উলিৱাওক।




১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আলোচিত কিছুমান গুৰুত্বপূর্ণ বিষয় সংক্ষেপতে তলত দিয়া হ'লঃ

- জনসম্পর্কৰ দ্বিমুখী সংযোগবোৰ হৈছে স্থিৰ চিন্তাযুক্ত, পৰিকল্পিত আৰু দীর্ঘম্যাদী। এইবোৰৰ সহায়ত এটা অনুষ্ঠান আৰু অনুষ্ঠানটোৰ সৈতে জড়িত জনসমষ্টিৰ মাজত পাৰস্পৰিক প্রমূল্যভিত্তিক সম্পর্ক গঢ়ি তোলা হয়।
- জনসম্পর্ক হৈছে এটা প্রক্রিয়া। চাৰিটা উপাদানৰ সৈতে জড়িত এই প্রক্রিয়াটো সেইবোৰ হৈছে- গৱেষণা (Research), কার্য(Action), সংযোগ (Communication) আৰু মূল্যায়ন (Evaluation)। ইয়াক চমুকৈ RACE বুলি জনা যায়।
- জনসম্পর্কক এক নীতি সমৃদ্ধ সংযোগ পদ্ধতি বুলি সংজ্ঞা দিব পাৰি। ই অনুষ্ঠান আৰু ৰাইজৰ মাজত পাৰস্পৰিক লাভজনক সম্পর্ক গঢ়ি তুলিব পাৰে।
- জনসম্পর্ক হৈছে এক পৰিচালনা কার্য । ই অনুষ্ঠান এটাক লক্ষ্যত উপনীত হোৱাত সহায় কৰে।
- জনসম্পর্ক বিভাগটোৰ বাবে জনতা হৈছে এনে ধৰণৰ মানৱ সমষ্টি যিটো কোনো কোনো উমৈহতীয়া স্বার্থৰে বান্ধ খাই থাকে। অংশীদাৰসকল হৈছে এক অনুষ্ঠানৰ অবিচ্ছেদ্য অংশ। অংশীদাৰ সৃষ্ট সমস্যাৰ সৈতে অনুষ্ঠানটো জড়িত হৈ থাকে। সকলো অংশীদাৰকে ৰাইজ বুলিব পাৰি কিন্তু সকলো ৰাইজকে অংশীদাৰ বুলি ক'ব পৰা নাযায়। কোনো অনুষ্ঠানৰ সৈতে জড়িত জনসমষ্টিক দুটা ধৰণে ভগাব পাৰি- অর্ন্তভাগ আৰু বর্হিভাগৰ জনসমষ্টি।
- অর্ন্তভাগত থকা জনসমষ্টিটো পোনপটীয়াভাৱে অনুষ্ঠানটোৰ সৈতে জড়িত হৈ থাকে। আনহাতে, বহিঃভাগত থকা জনসমষ্টিটো অনুষ্ঠানটোৰ সৈতে জড়িত নাথাকিলেও অনুষ্ঠানটোৱে গ্রহণ কৰা সিদ্ধান্ত আৰু কর্মপন্থাৰ দ্বাৰা প্রভাৱিত হয়। সেয়েহে তেওঁলোকক অনুষ্ঠানটোৰ এক গুৰুত্বপূর্ণ অংশ বুলি বিবেচনা কৰা হয়।
- জনসম্পর্কৰ উদ্দেশ্য হৈছে ৰাইজৰ দৃষ্টিভংগী / মনোভাৱ বিশ্লেষণ কৰা; শুদ্ধ আৰু নিখুঁত তথ্য প্রচাৰ কৰা, অন্তঃভাগ আৰু বহিঃভাগৰ জনসমষ্টিৰ সমর্থন লাভ কৰা, দীর্ঘম্যাদী সম্পর্ক স্থাপন কৰা, সুনাম গঢ়ি তোলা, অন্তঃভাগৰ সংযোগ বৃদ্ধি কৰা,

জনসম্পর্কৰক্ষী আহিলাবোৰৰ বিকাশ আৰু সংহতিৰ পোষকতা কৰা।

- জনসম্পর্কৰ পৰিসৰ যথেষ্ঠ ব্যাপক। কাৰণ প্ৰতিটো অনুষ্ঠান নাইবা কোম্পানীয়ে বৃত্তিজীৱী যোগ্যতা সম্পন্ন আৰু সক্ৰিয় বৃত্তিজীৱী জনসম্পর্কৰক্ষী বিভাগ একোটা বিচাৰে যাতে ই তেওঁলোকৰ ভাবমূৰ্তি আৰু সুনাম গঢ়ে আৰু পৰিচালনাৰ প্ৰশংসা বোটলাত সহায় কৰিব পাৰে। PRSA প্ৰস্তুত কৰা তালিকাখনত জনসম্পর্কৰ বিভিন্ন বিভাগ সন্নিৱিষ্ট কৰা হৈছে।




১.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1. Newsom, Doug, Turk V, Judy, Kruckeberg, Dean (2000). This is PR: The Realities of Public Relations. Seventh Edition. Singapore: Wadsworth Thomson Learning.

2. Wilcox, Dennis, Cameron, Glen, Reber, Bryan (2015). Public Relations: Strategies and Tactics. Eleventh Edition. Essex: Pearson.



১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জনসম্পর্কৰ প্ৰকৃতিয়ে ব্যাখ্যা কৰে যে ই এটা প্ৰণালীৱদ্ধ পদ্ধতি। জনসম্পর্কই একোটা অনুষ্ঠান আৰু ইয়াৰ অংশীদাৰসকলৰ মাজত এক সদিচ্ছাপূৰ্ণ সুসম্পর্ক স্থাপন কৰে। তথ্য প্ৰচাৰৰ জৰিয়তে এই পদ্ধতিটো কাৰ্যৰূপায়িত কৰা হয়। তাৰ লগতে অংশীদাৰসকলৰ পোৱা তথ্যবোৰো জন সম্পর্কৰক্ষীয়ে গ্ৰাহকসকলক যোগান ধৰে। যি কোনো ধৰণৰ জনসম্পর্কৰক্ষী কাম-কাজে অংশীদাৰসকলক জনসম্পর্কই প্ৰচাৰ কৰা তথ্যৰ পোষকতা কৰিবলৈ নাইবা অনুমোদন জনাবলৈ অনুপ্ৰাণিত কৰে। জনসম্পর্কত দ্বিমুখী সংযোগৰ প্ৰয়োজন হয় আৰু এনে সংযোগ ৰাইজৰ মতামত বিচৰাৰ ক্ষেত্ৰত প্ৰযোজ্য ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ জন মাৰ্ষ্টনে তেওঁৰ দ্বাৰা ৰচিত The Nature of Public Relations নামৰ গ্ৰন্থত এক বিশেষ ধৰণৰ ক্ৰম (Acronym RACE)ৰ কথা উল্লেখ কৰিছে। সেই বিশেষ ক্ৰম অনুসৰি যি কোনো জনসম্পর্কৰক্ষী কাৰ্যকলাপৰ চাৰিটা মূল উপাদান থাকেঃ গৱেষণা, কাৰ্য সংযোগ আৰু মূল্যায়ন (Research, Activity, Communication, Evaluation)

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জনসম্পর্কত ইচ্ছাকৃত, পৰিকল্পিত আৰু দীৰ্ঘম্যাদী প্ৰচেষ্টা জড়িতথাকে। ইয়াৰ সহায়ত এটা অনুষ্ঠান আৰু অনুষ্ঠানটোৰ সৈতে ৰাইজৰ মাজত পাৰস্পৰিক বুজা-পৰা প্ৰতিষ্ঠা কৰা হয়।

১ নং প্ৰশ্নৰ উত্তৰ ঃ জনসম্পর্ক হৈছে এটা ব্যৱস্থাপনা কার্য ই ৰাইজৰ দৃষ্টিভংগী/ মনোভাৰ বিশ্লেষণ কৰে, নীতিৰ সংজ্ঞা নিৰূপণ কৰে, কার্যপদ্ধতি নির্ধাৰণ কৰে আৰু এটা অনুষ্ঠানৰ স্বার্থৰ প্রতি দৃষ্টি ৰাখে । ৰাইজৰ বুজা-পৰা আৰু গ্রহণযোগ্যতা অর্জন কৰিবলৈ জনসম্পর্কৰক্ষী বিভাগবোৰে কিছুমান কর্ম আঁচনি কার্যকৰী কৰাৰ চেষ্টা চলায়।



১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

প্রশ্ন ১ ঃ E-Choupal ৰ মূল কার্য কি?

প্রশ্ন ২ ঃ জনসম্পর্কৰ চাৰিটা মূল উপাদানসমূহ কি কি?

(খ) চুটি প্রশ্ন- (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ জনসম্পর্কই কি বুজায়? জনসম্পর্কৰক্ষী পদ্ধতিৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ জনসম্পর্কৰ যি কোনো দুটা সংজ্ঞা ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ জনসম্পর্কত কোনোবোৰ লোকক লক্ষ্য জনসমষ্টি বুলি কোৱা হয়? বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ জনসম্পর্কৰ বিভিন্ন উদ্দেশ্য ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ভাৰতবর্ষত জনসম্পর্কৰ পৰিসৰ ব্যাখ্যা কৰক।

****